**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-09-2025
**Time:** 19-10 Hrs

## *Assamese Evening Bulletin*

## ***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈৰ পৰা ১৫ তাৰিখলৈকে মিজোৰাম, মণিপুৰ, অসম, পশ্চিম বংগ আৰু বিহাৰ ভ্ৰমণ কৰিব।

২। ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি কৈছে যে, প্ৰধানমন্ত্ৰীয়ে কাইলৈ মুকলি কৰিব লগা মিজোৰামৰ অতি গুৰুত্বপূৰ্ণ ভৈৰবী চাইৰাং ৰে'লপথত ৪৫ টা সুৰংগ আৰু ৫৫ খন দলং আছে।

৩। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মাণ্ডাভিয়াই কৈছে যে দেশৰ প্ৰতিটো পথেই ক্ৰীড়াৰ বাবে উপযোগী হৈ উঠিব লাগে।

আৰু

৪। ভাৰতৰ সাত্বিক ছাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটীয়ে হংকং অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈৰ পৰা ১৫ তাৰিখলৈকে মিজোৰাম, মণিপুৰ, অসম, পশ্চিম বংগ আৰু বিহাৰ ভ্ৰমণ কৰিব। মিজোৰাম ভ্ৰমণ কালত শ্ৰীমোদীয়ে ৯ হাজাৰ কোটি টকাৰো অধিক মূল্যৰ বিভিন্ন প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰিব। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদীয়ে দিনৰ ১০ বজাত আইজলৰ লামউৱালত আয়োজিত এটা অনুষ্ঠানত নৱনিৰ্মিত ভৈৰৱী-চাইৰাং ৰে'লপথ মুকলি কৰিব। মিজোৰামৰ ৰাজধানী আইজলক দেশৰ ৰে'ল মানচিত্ৰত সংযোগ কৰি প্ৰায় ৮ হাজাৰ কোটি টকা ব্যয়েৰে ৫১ কিলোমিটাৰৰো অধিক দৈৰ্ঘ্যৰ এই ৰে'লপথ নিৰ্মাণ কৰা হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে কাইলৈ ভাৰ্চুৱেল ব্যৱস্থাৰে তিনিখন ৰে'লগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব। এই নতুন ৰে'লগাড়ীকেইখন হৈছে চাইৰাং আৰু দিল্লীৰ মাজত সাপ্তাহিক ৰাজধানী এক্সপ্ৰেছ, চাইৰাং আৰু গুৱাহাটীৰ মাজত দৈনিক এক্সপ্ৰেছ আৰু চাইৰাং আৰু ক'লকাতাৰ মাজত ত্ৰিসাপ্তাহিক এক্সপ্ৰেছ। একেদিনাই শ্ৰীমোদীয়ে মণিপুৰ ভ্ৰমণ কৰি ৮ হাজাৰ ৫০০ কোটিৰো অধিক টকা মূল্যৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ কৰিব।

অসম ভ্ৰমণ কালত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আবেলিৰ ভাগত গুৱাহাটীলৈ আহিব আৰু বিয়লি ৫ বজাত খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ শতবাৰ্ষিকীৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানতে তেওঁ ভাৰতীয় ৰিজাৰ্ভ বেংকে জাৰি কৰা ড০ ভূপেন হাজৰিকা স্মাৰক ১০০ টকীয়া মুদ্ৰা আনুষ্ঠানিকভাৱে মুকলি কৰিব। প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানতে অসম চৰকাৰৰ তত্বাৱধানত সংকলন কৰা ড০ ভূপেন হাজৰিকাৰ বহুভাষিক জীৱনী গ্ৰন্থখনো আনুষ্ঠানিকভাৱে উন্মোচন কৰিব। প্ৰধানমন্ত্ৰীৰ সন্মানাৰ্থে প্ৰায় এহেজাৰ ২০০গৰাকী শিল্পীয়ে খানাপাৰাৰ খেলপথাৰত বিশ্ববিশ্ৰুত শিল্পীগৰাকীৰ ১৪টা বচা বচা গান আৰু কবিতা একেলগে পৰিবেশন কৰিব।

ভ্ৰমণকালত শ্ৰীমোদীয়ে ১৮ হাজাৰ কোটি টকাৰো অধিক কেইবাটাও বৃহৎ ঔদ্যোগিক আৰু আন্তঃগাঁথনি প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

ভ্ৰমণৰ অংশ হিচাপে শ্ৰীমোদীয়ে পশ্চিম বংগৰ ৰাজধানী কলকাতাত ষষ্ঠদশ যুটীয়া কামাণ্ডাৰ সন্মিলন মুকলি কৰিব। ইয়াৰ পাছত প্ৰধানমন্ত্ৰীগৰাকীয়ে বিহাৰৰ পূৰ্ণিয়া বিমান বন্দৰৰ নতুন টাৰ্মিনেল ভৱনৰ শুভ উদ্বোধন কৰিব। তেওঁ লগতে ৰাষ্ট্ৰীয় মখনা পৰিষদৰ লগতে পূৰ্ণিয়াত ৩৬ হাজাৰ কোটিৰো অধিক টকা মূল্যৰ ভালেমান উন্নয়নমূলক প্ৰকল্প মুকলি কৰিব।

০০০০০০০

কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি কৈছে যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ মুকলি কৰিব লগা মিজোৰামৰ অতি গুৰুত্বপূৰ্ণ ভৈৰবী চাইৰাং ৰে'লপথত ৪৫ টা সুৰংগ আৰু ৫৫ খন দলং আছে। তেওঁ জানিবলৈ দিয়ে যে, এই প্ৰকল্পতো মিজোৰামৰ জনসাধাৰণৰ বাবে উল্লেখযোগ্য হিচাপে পৰিগণিত হৈছে। শ্ৰী বৈষ্ণৱে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ তিনিখন ৰে'লৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব। অহা দেওবাৰৰ পৰা সামগ্ৰী কঢ়িওৱা ৰে'লগাড়ী চলাচল কৰা হ'ব। মন্ত্ৰীগৰাকীয়ে কয়, যে ২০১৪ চনৰ পূৰ্বে কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ ৰে'ল প্ৰকল্পৰ বাবে কেৱল দুহেজাৰ কোটি টকাৰ পুঁজিৰ অনুমোদন জনাইছিল। অৱশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শাসনকালত উত্তৰ-পূৰ্বাঞ্চলৰ ৰে'ল বাজেটৰ পৰিমাণ অধিক বৃদ্ধি কৰা হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দেশৰ ভিতৰত উত্তৰ পূৰ্বাঞ্চল উদ্ভাসিত হৈ উঠিছে বুলি এটা প্ৰৱন্ধ সামাজিক মাধ্যমযোগে শ্বেয়াৰ কৰিছে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ভৈৰৱী চাইৰাং ৰে'লপথ মুকলি কৰাৰ ফলত এটা ঐতিহাসিক মাইলৰ খুঁটি হিচাপে বিবেচিত হ'ব বুলি প্ৰকাশ কৰা এটা প্ৰৱন্ধ শ্ৰীমোদীয়ে শ্বেয়াৰ কৰে। এই ৰে'লপথে মিজোৰামক ৰাষ্ট্ৰীয় ৰে'ল নেটৱৰ্কৰ সৈতে সংযুক্ত কৰিব। ইয়াৰ ফলত বাণিজ্য, যোগাযোগ আৰু সুবিধা বৃদ্ধি কৰিব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় সূত্ৰই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে যে বৰ্তমান সময়ত উত্তৰ পূৰ্বাঞ্চল উন্নয়নৰ বাবে অপেক্ষা কৰিব থাকিব নালাগে, এয়া কেন্দ্ৰীয় চৰকাৰৰ বিকাশগাঁথা।

০০০০০০০

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া দপ্তৰৰ মন্ত্ৰী মনসুখ মাণ্ডাভিয়াই কৈছে যে দেশৰ প্ৰতিটো পথেই ক্ৰীড়াৰ বাবে উপযোগী হৈ উঠিব লাগে আৰু ক্ৰীড়া প্ৰতিযোগিতাৰ প্ৰতিটো পডিয়ামতে ভাৰতীয় পতাকা জিলিকি উঠিব লাগে। নতুন দিল্লীত আজি এটা ব্যক্তিগত সংবাদ প্ৰতিষ্ঠানৰ ক্ৰীড়া সন্মিলনত অংশ লৈ মন্ত্ৰীগৰাকীয়ে ক্ৰীড়াক জনজাগৰণ হিচাপে গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ ছানডে্জ অন চাইকলৰ লেখিয়া পদক্ষেপসমূহে প্ৰতিগৰাকী লোকক ক্ৰীড়াৰ সৈতে জড়িত কৰি ৰাখিব বুলি উল্লেখ কৰে। ড০ মাণ্ডাভিয়াই ভাৰতক বিশ্বৰ শীৰ্ষ পাঁচখন ক্ৰীড়া ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰ কথা উল্লেখ কৰে।

০০০০০০০

চি পি ৰাধাকৃষ্ণণে আজি দেশৰ পঞ্চদশ উপ-ৰাষ্ট্ৰপতি ৰূপে শপত গ্ৰহণ কৰিছে। আজি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে তেওঁক কাৰ্যভাৰ গ্ৰহণ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰায়। শপত গ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, প্ৰাক্তন ৰাষ্ট্ৰপতি

ৰামনাথ কোবিন্দ, প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, কেন্দ্ৰীয় মন্ত্ৰীসকল - ৰাজনাথ সিং, অমিত শ্বাহ, জে পি নাড্ডা, পীয়ুষ গোৱেল আৰু নীতিন গাড়কাৰীকে ধৰি ভালেসংখ্যক গন্য-মান্য ব্যক্তি উপস্থিত আছিল।

উল্লেখযোগ্য যে যোৱা ৯ ছেপ্তেম্বৰত অনুষ্ঠিত উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনত এন ডি এৰ প্ৰাৰ্থী চি পি ৰাধাকৃষ্ণণে ইণ্ডি মিত্ৰজোঁটৰ প্ৰাৰ্থী বি সুদৰ্শন ৰেড্ডীক ১৫২টা ভোটৰ ব্যৱধানত পৰাজিত কৰি দেশৰ পঞ্চদশ উপ-ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত হৈছিল।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীত জ্ঞান ভাৰতম শীৰ্ষক এখন আন্তঃৰাষ্ট্ৰীয় সন্মিলনত অংশগ্ৰহণ কৰে। এই সন্মিলনত পাণ্ডুলিপিৰ ডিজিটীয়কৰণ, সংৰক্ষণ আৰু জনসাধাৰণৰ বাবে সহজলভ্য কৰাৰ উদ্দেশ্যে জ্ঞান ভাৰতম নামৰ এটা পোৰ্টেলো তেওঁ মুকলি কৰে। উল্লেখযোগ্য যে কালিৰে পৰা পাণ্ডুলিপি ঐতিহ্যৰ জৰিয়তে ভাৰতৰ জ্ঞানৰ উত্তৰাধিকাৰীৰ পুনৰুদ্ধাৰ শীৰ্ষক এখন সন্মিলন চলি আছে। এই সন্মিলনত আগশাৰীৰ গৱেষক, সংৰক্ষণবিদ, প্ৰযুক্তিবিদ আৰু নীতি বিশেষজ্ঞসকলক একত্ৰিত কৰি ভাৰতৰ অসাধাৰণ পাণ্ডুলিপি সম্পদক পুনৰুজ্জীৱিত কৰাৰ পথসমূহৰ বিষয়ে আলোচনা কৰিব।

০০০০০০০

ভাৰতীয় উপকূলৰক্ষী বাহিনীয়ে গোলকীয় সামুদ্ৰিক প্ৰশাসন আৰু সুৰক্ষা তথা সামুদ্ৰিক স্বচ্ছতা বৰ্তাই ৰখাৰ বাবে অংশীদাৰী হিচাপে ভাৰতে নিজৰ প্ৰতিশ্ৰুতিবদ্ধতা দোহাৰিছে। ভাৰতে কালিৰে পৰা ৰোমত আৰম্ভ হোৱা দুদিনীয়া উপকূলৰক্ষী বাহিনীৰ গোলকীয় শীৰ্ষ সন্মিলনত ভাগ লৈছে। ভাৰতীয় উপকূলৰক্ষী বাহিনীয়ে ২০২৭ চনত ভাৰতত পঞ্চম বিশ্ব উপকূলৰক্ষী সন্মিলন আয়োজনৰ বাবে নিজৰ দাবী উত্থাপন কৰিব। উপকূলৰক্ষী বাহিনীৰ মহানিৰ্দেশক পৰমেশ শিৱমণিৰ নেতৃত্বত গঠিত দুজনীয়া ভাৰতীয় প্ৰতিনিধি দলটোৱে সামুদ্ৰিক সুৰক্ষাৰ ক্ষেত্ৰত ভাৰতৰ ভূমিকাৰ কথা উল্লেখ কৰে। এই সন্মিলনত ১১৫খন দেশ আৰু আন আন্তঃৰাষ্ট্ৰীয় সংগঠনৰ প্ৰতিনিধিয়ে অংশ লৈছে।

০০০০০০০

নেপালৰ স্বাস্থ্য আৰু জনসংখ্যা মন্ত্ৰালয়ে জানিবলৈ দিছে যে জেন-জেদ প্ৰতিবাদৰ ফলত দেশখনত হোৱা বিক্ষিপ্ত ঘটনাত ৩৬ গৰাকী লোকে প্ৰাণ হেৰুৱাইছে। মন্ত্ৰালয়ৰ সচিব ড০ বিকাশ দেৱকোটাই জানিবলৈ দিছে যে দেশৰ বিভিন্ন চিকিৎসালয়ৰ পৰা এতিয়ালৈকে ৩৬ গৰাকী লোকৰ মৃত্যু হোৱাৰ তথ্য লাভ কৰা হৈছে। দেশৰ ৫২খন চিকিৎসালয়ত মুঠ ২৮৪গৰাকী লোক চিকিৎসাধীন হৈ থকাৰ বিপৰীতে এই বিক্ষিত ঘটনাত আহত হোৱা এহেজাৰ ৭০০ৰো অধিক লোকক চিকিৎসা প্ৰদান কৰা হয়।

০০০০০০০

ৰাছিয়াই ঘোষণা কৰিছে যে ইউক্ৰেইনৰ সৈতে শান্তি আলোচনা বৰ্তমান স্থগিত ৰখা হৈছে। অৱশ্যে ইউক্ৰেইন সংঘাটৰ অৱসানৰ বাবে কূটনৈতিক সমাধানৰ বাবে ক্ৰেমলিম মহল দায়বদ্ধ। ক্ৰেমলিমৰ মুখপাত্ৰ ডিমিত্ৰি পেছক'ভে আজি সাংবাদিকৰ আগত জানিবলৈ দিছে যে, ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত প্ৰত্যক্ষ বুজাবুজি সম্ভৱ হ'ব পাৰে, অৱশ্যে বৰ্তমান ইয়াক স্থগিত ৰখা হৈছে। উল্লেখযোগ্য যে, চলিত বৰ্ষত ইষ্টানবুল আৰু তুৰস্কত বুজাবুজিৰ বাবে তিনিবাৰ বৈঠক অনুষ্ঠিত হৈছিল।

০০০০০০০

হংকং অ'পেন ভাৰতৰ আগশাৰীৰ বেডমিণ্টন যুটী সাত্বিক ছাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটীয়ে হংকং অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰবেশ কৰিছে। ভাৰতীয় যুটীটোৱে এখন উত্তেজনাপূৰ্ণ খেলত মালয়েছিয়াৰ আৰিফ জুনেইডি আৰু ৰয় য়াপ যুটীক ২১-১৪, ২০-২২ আৰু ২১-১৬ গেমত পৰাস্ত কৰে।

০০০০০০০

সমাপ্ত